**NSD NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 01-12-2025
**Time:** 19-10 Hrs

***Assamese Evening Bulletin***
***Headlines***

**::::::::::::::::::::::::::::::::::::::::::::::**

১। সংসদৰ শীতকালীন অধিবেশনৰ আজি প্ৰথম দিনটোত বিৰোধী পক্ষই প্ৰতিবাদ কৰি হুলস্থূলৰ পৰিবেশ সৃষ্টি কৰাৰ হেতু লোকসভা দিনটোৰ বাবে স্থগিত ৰখা হয়।

২। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে আজি কয় যে বিশ্ব মঞ্চত ভাৰত কেৱল অৰ্থনৈতিক স্বাধীনতাৰ বাবেই নহয়, অৰ্থনৈতিক ভূমিকা সম্প্ৰসাৰণৰ লক্ষ্যৰ দিশতো আগবাঢ়ি আছে।

৩। পি এম বিশ্বকৰ্মা আঁচনিৰ অধীনত এই পৰ্যন্ত ২ কোটি ৭২ লাখ হস্তশিল্পীক অন্তৰ্ভুক্ত কৰা হৈছে।

৪। জনজাতীয় ব্যৱসায়িক আৱাস আৰু গাঁৱৰ প্ৰয়োজনীয় উন্নয়ন আৰু সংস্কাৰৰ বাবে প্ৰধানমন্ত্ৰী জনজাতীয় উন্নত গাওঁ অভিযান আঁচনিৰ অধীনত ১৭ কোটিতকৈও অধিক ধন অনুমোদন দিয়া হৈছে। ***আৰু***

৫। চ্চিলিৰ চেণ্টিয়াগ'ত চলি থকা মহিলাৰ এফ আই এইছ্ হকী জুনিয়ৰ বিশ্বকাপ-২০২৫ প্ৰতিযোগিতাত ভাৰত আজি নিজৰ প্ৰথমখন খেলত নামিবিয়াৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

০০০০

সংসদৰ শীতকালীন অধিবেশনৰ আজি প্ৰথম দিনটোত বিৰোধী পক্ষই বিভিন্ন ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলৰ ভোটাৰ তালিকাৰ বিশেষ পুংখানুপুংখ নিৰীক্ষণ আৰু বিভিন্ন বিষয়ত হুলস্থূলৰ পৰিবেশ সৃষ্টি কৰাৰ হেতু লোকসভা দিনটোৰ বাবে স্থগিত ৰখা হৈছে।

ইয়াৰ পূৰ্বে প্ৰথম স্থগিতাদেশৰ পাছত লোকসভাৰ বৈঠক পুনৰ দুপৰীয়া ১২ বজাত অনুষ্ঠিত হয়। ইয়াৰ লগে লগে বিৰোধী সদস্যসকলে এছ্ আই আৰ আৰু অন্যান্য বিষয়ৰ ওপৰত সংসদৰ মাজত আহি শ্লগান দিবলৈ আৰম্ভ কৰে। বিৰোধী পক্ষই এছ্ আই আৰৰ ওপৰত আলোচনাৰ দাবী জনাই তাৰ মাজতে বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমণে ধঁপাত আৰু তাৰ পৰা উতপন্ন হোৱা সামগ্ৰীৰ বাবে কেন্দ্ৰীয় আবকাৰী সংশোধনী বিধেয়ক ২০২৫ উত্থাপন কৰে। মন্ত্ৰীগৰাকীয়ে পান মছলাৰ দৰে নিৰ্দিষ্ট সামগ্ৰীৰ উৎপাদনৰ বাবে অতিৰিক্ত কৰ আৰোপ কৰিবলৈ এই বিধেয়কখন উত্থাপন কৰে। সংসদে জনবিশ্বাস বিধান সংশোধনী বিধেয়ক ২০২৫ ৰ সন্দৰ্ভত বিশেষ সমিতিৰ প্ৰতিবেদন দাখিলৰ সময় শীতকালীন অধিবেশনৰ শেষৰ দিনালৈকে বৃদ্ধি কৰে। হুলস্থূলীয়া পৰিস্থিতি অব্যাহত থকাত অধ্যক্ষই পুনৰ লোকসভাৰ কাম-কাজ দিনৰ ২ বজালৈ স্থগিত ৰাখিবলগীয়া হয়। উল্লেখযোগ্য যে, ১৯ দিন ধৰি চলিবলগীয়া এই অধিবেশনত ১৫ খন বৈঠক অনুষ্ঠিত হ'ব।

লোকসভা স্থগিত ৰখাৰ পাছত দিনৰ ২ বজাত সমবেত হোৱাৰ লগে লগে বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমণে মণিপুৰ সামগ্ৰী আৰু সেৱা কৰ দ্বিতীয় সংশোধনী বিধেয়ক ২০২৫ বিবেচনা আৰু গৃহীতকৰণৰ বাবে উত্থাপন কৰে। বিৰোধীৰ হুলস্থুলীয়া পৰিবেশৰ মাজতে বিধেয়কখন ধবনি ভোটেৰে গ্ৰহণ কৰা হয়।

ইয়াৰ আগেয়ে দিনৰ ১১ বজাত লোকসভাৰ কাৰ্যক্ৰমণিকা আৰম্ভ হোৱাৰ পাছতে অধ্যক্ষ ওম বিৰলাই সদ্যপ্ৰয়াত অভিনেতা ধৰ্মেন্দ্ৰ, অৱসৰপ্ৰাপ্ত কৰ্ণেল সোণাৰাম চৌধাৰী, অধ্যাপক বিজয় কুমাৰ মালহোত্ৰা আৰু ৰবি নায়কলৈ শ্ৰদ্ধাঞ্জলি নিবেদনৰ কাৰ্যসূচী ৰূপায়ণ কৰে। ইয়াৰ পাছতে লোকসভাই ভাৰতীয় মহিলা ক্ৰিকেট দল আৰু কাবাডী দলটোক ২০২৫ৰ বিশ্বকাপ জয় কৰাৰ বাবে অভিনন্দন জ্ঞাপন কৰে।

লোকসভাৰ অধ্যক্ষ ওম বিৰলাই বিৰোধী পক্ষৰ সদস্যসকলৰ আচৰণক লৈ অসন্তুষ্টি প্ৰকাশ কৰি কয় যে সংসদৰ কাম-কাজত ব্যাঘাত জন্মোৱাটো উচিত কথা নহয়। ইয়াৰ পাছত বিৰোধী সদস্যসকলে ধাৰাবাহিকভাৱে প্ৰতিবাদ অব্যাহত ৰাখে।

০০০০

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে আজি কয় যে বিশ্ব মঞ্চত ভাৰত কেৱল অৰ্থনৈতিক স্বাধীনতাৰ বাবেই নহয়, অৰ্থনৈতিক ভূমিকা সম্প্ৰসাৰণৰ লক্ষ্যৰ দিশতো আগবাঢ়ি আছে। নতুন দিল্লীত ফুটৱেৰ ডিজাইন এণ্ড ডেভেলপমেণ্ট ইনষ্টিটিউট -এফ ডি ডি আইৰ সমাৱৰ্তন অনুষ্ঠানত ভাষণ দি ৰাষ্ট্ৰপতিগৰাকীয়ে এইদৰে কয়। শ্ৰীমতী মুৰ্মুৱে উল্লেখ কৰে যে ২০২৪-২৫ বিত্তীয় বৰ্ষত দুহেজাৰ ৫০০ মিলিয়ন ডলাৰতকৈ অধিক মূল্যৰ ৰপ্তানিৰে অৰ্থনীতি বৃদ্ধিৰ ক্ষেত্ৰত জোতা উদ্যোগে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে। স্নাতক ডিগ্ৰী লাভ কৰা শিক্ষাৰ্থীসকলক অভিনন্দন জনাই তেওঁ কয় যে পৰৱৰ্তী প্ৰজন্মৰ দক্ষ যুৱচামে বিকশিত ভাৰত ২০৪৭ৰ লক্ষ্য পূৰণ কৰিব।

০০০০

পি এম বিশ্বকৰ্মা আঁচনিৰ অধীনত এই পৰ্যন্ত ২ কোটি ৭২ লাখ হস্তশিল্পীক অন্তৰ্ভুক্ত কৰা হৈছে। অতি ক্ষুদ্ৰ, ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগৰ ৰাজ্য মন্ত্ৰী শোভা কৰন্দলাজে আজি ৰাজ্যসভাত এটা লিখিত প্ৰশ্নৰ উত্তৰত এই কথা প্ৰকাশ কৰে। তেওঁ কয় যে এই আঁচনিৰ অধীনত ২৩ লাখৰো অধিক হিতাধিকাৰীক প্ৰশিক্ষণ প্ৰদান কৰা হৈছে আৰু ৭ লাখ হিতাধিকাৰীক ২৩ কোটি টকাৰো অধিক ডিজিটেল উদগণি প্ৰদান কৰা হৈছে। ২০২৩ বৰ্ষত আৰম্ভ কৰা এই আঁচনিয়ে ৫ বছৰৰ বাবে চাৰুকলা শিল্পী আৰু হস্তশিল্পীসকলক সহায় আগবঢ়ায়।

০০০০

জনজাতীয় ব্যৱসায়িক আৱাস আৰু গাঁৱৰ প্ৰয়োজনীয় উন্নয়ন আৰু সংস্কাৰৰ বাবে প্ৰধানমন্ত্ৰী জনজাতীয় উন্নত গাওঁ অভিযান আঁচনিৰ অধীনত ১৭ কোটিতকৈও অধিক ধন অনুমোদন দিয়া হৈছে। লোকসভাত আজি পৰ্যটন আৰু সাংস্কৃতিক মন্ত্ৰী গজেন্দ্ৰ সিং শেখাৱাটে এটা প্ৰশ্নৰ লিখিত উত্তৰত এইদৰে প্ৰকাশ কৰে। তেওঁ কয় যে এই আঁচনিয়ে জনজাতীয় অঞ্চলত ব্যৱসায়িক আৱাস বিকশিত কৰি পৰ্যটনক প্ৰভাৱিত কৰাৰ লগতে জনজাতীয় লোকসকলৰ জীৱিকাৰ পথো মুকলি কৰিব। এই আঁচনিয়ে গাঁৱৰ উন্নয়নৰ বাবে ৫ লাখ টকা, প্ৰতিটো পৰিয়ালৰ বাবে নতুন কোঠা নিৰ্মাণৰ বাবে ৫ লাখ টকা আৰু প্ৰতিটো পৰিয়ালৰ বৰ্তমানৰ কোঠা পুনৰ নিৰ্মাণৰ বাবে ৩ লাখ টকা পৰ্যন্ত আৰ্থিক সাহায্য প্ৰদান কৰিব বুলি মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে।

০০০০

বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ জয়শংকৰে আজি নতুন দিল্লীত গ্লোবেল ছাউথৰ অন্তৰ্গত দেশসমূহৰ জৈৱ সুৰক্ষা শক্তিশালী কৰাৰ বাবে জৈৱিক অস্ত্ৰ অভিৱৰ্তনৰ ৫০ সংখ্যক বৰ্ষপূৰ্তি উপলক্ষে আয়োজিত অনুষ্ঠানত অংশগ্ৰহণ কৰে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত শ্ৰীজয়শংকৰে কয় যে এই সন্মিলনত কমেও ৮০খন দেশৰ বিভিন্ন ক্ষেত্ৰৰ বিশেষজ্ঞ, পণ্ডিত আৰু প্ৰতিনিধিসকলে জৈৱিক অস্ত্ৰ সম্পৰ্কীয় অভিৱৰ্তনৰ আধুনিকীকৰণ সন্দৰ্ভত মত

প্ৰকাশ কৰিছে। তেওঁ কয় যে আন্তঃৰাষ্ট্ৰীয় নিৰাপত্তাৰ ক্ষেত্ৰত মাজে সময়ে দেখা দিয়া শংকা আৰু জীৱ বিজ্ঞানৰ উদ্ভাৱনসমূহৰ অপব্যৱহাৰৰ মাজত ভাৰসাম্য ৰখাৰ বাবে অভিৰৰ্তনৰ আয়োজন কৰা হৈছে। তেওঁ লগতে আন্তঃৰাষ্ট্ৰীয় সহযোগিতা অত্যন্ত গুৰুত্বপূৰ্ণ বুলি উল্লেখ কৰে। মন্ত্ৰীগৰাকীয়ে সম্প্ৰতি জৈৱিক ক্ষেত্ৰত বিশ্বজুৰি সৃষ্টি হোৱা ভাবুকিৰ বিষয়ে উল্লেখ কৰি এই ক্ষেত্ৰত ৰাষ্ট্ৰীয় পৰিকাঠামো ৰূপায়ণৰ বাবে ভাৰতে আগবঢ়োৱা প্ৰস্তাৱ কথা উল্লেখ কৰে।

০০০০

বিগত বছৰৰ নৱেম্বৰৰ তুলনাত চলিত বছৰ নৱেম্বৰৰ মাহত দেশৰ জি এছ্ টি সংগ্ৰহ এক লাখ ৭০ হাজাৰ টকা হৈছে। যোৱা বছৰ নৱেম্বৰ মাহত মুঠ জি এছ্ টি সংগ্ৰহ ১ লাখ ৬৯ হাজাৰ টকা আছিল।

০০০০

ইণ্ডোনেছিয়াত প্ৰচণ্ড ঘূৰ্ণীবতাহ আৰু বৰষুণে সৃষ্টি কৰা বান আৰু ভূমিস্খলনত বহু সংখ্যক লোকৰ মৃত্যু হৈছে। দেশখনৰ ৰাষ্ট্ৰীয় দুৰ্যোগ ব্যৱস্থাপনা সংস্থাই কালি প্ৰকাশ কৰা তথ্য অনুসৰি উত্তৰ সুমাত্ৰা, পশ্চিম সুমাত্ৰা, এছেহক ধৰি কেইবাটাও অঞ্চলত ক্ষয়-ক্ষতি অধিক হৈছে আৰু অন্য চাৰিশৰো অধিক লোক সন্ধানহীন হৈ আছে। উদ্ধাৰকাৰী সংস্থাসমূহে ব্যাপক অভিযান অব্যাহত ৰাখিছে। আটাইতকৈ বেছি ক্ষতিগ্ৰস্ত সুমাত্ৰা দ্বীপত সহস্ৰাধিক লোক বহিঃবিশ্বৰ সৈতে সংযোগ বিচ্ছিন্ন হৈ আছে আৰু তেওঁলোকক উদ্ধাৰৰ বাবে প্ৰচেষ্টা চলাই থকা হৈছে। ৰাষ্ট্ৰপতি প্ৰৱও ছুবিয়াণ্টোৱে আজি বান ক্ষতিগ্ৰস্ত অঞ্চলসমূহলৈ গৈ পৰিস্থিতিৰ বুজ লয়। উল্লেখযোগ্য যে যোৱা সপ্তাহত ইণ্ডোনেছিয়াত ছেনিয়াৰ নামৰ প্ৰচণ্ড ঘূৰ্ণী বতাহে এই বিপৰ্যয়ৰ সৃষ্টি কৰিছিল। বৰষুণ আৰু ধুমুহাৰ ফলত থাইলেণ্ড, মালয়েছিয়া, ফিলিপাইনছ আৰু শ্ৰীলংকাৰ লক্ষাধিক লোক ক্ষতিৰ সন্মুখীন হোৱাৰ লগতে সমগ্ৰ এছিয়াৰ ৯ শতাধিক লোকৰ মৃত্যু হৈছে।

০০০০

চিলিৰ চেণ্টিয়াগ'ত চলি থকা মহিলাৰ এফ আই এইছ হকী জুনিয়ৰ বিশ্বকাপ-২০২৫ প্ৰতিযোগিতাত ভাৰত আজি নিজৰ প্ৰথমখন খেলত নামিবিয়াৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। ভাৰতীয় সময় অনুসাৰে খেলখন সন্ধিয়া ৭ বাজি ৪৫ মিনিটত আৰম্ভ হ'ব। বিশ্বকাপ প্ৰতিযোগিতাখনৰ ইতিহাসত প্ৰথমবাৰৰ বাবে ২৪ খন দেশে প্ৰতিদ্বন্দ্বিতা আগবঢ়াইছে। দেশসমূহক ৬ টা পুলত ভাগ কৰা হৈছে। পুল-চিত ভাৰতৰ সৈতে থকা আন তিনিখন দেশ হৈছে- জাৰ্মানী, আয়াৰলেণ্ড আৰু নামিবিয়া। ভাৰতৰ ১৮ জনীয়া দলটোক জ্যোতি সিঙে নেতৃত্ব প্ৰদান কৰিছে।

০০০০

ঃঃ সমাপ্ত ঃঃ